গোৱালন্ড মেইলত অসমলৈ যাব। গুৰুদাসক ৫০ কপি 'আমিষ ও নিরামিষ আহার'ৰ কিতাপ দিলো। ক্ষীরোদ বাবুও মোৰে সৈতে তালৈ গৈছিল। মোহনজীক এখন চিঠি দি আসানসোলৰ কামৰ বাবে পঠালো। বাটত গদাইক দেখা পালো। সি দোকানৰ হিছাপত ৪০ টকা মোৰ হাতত দিলে।

মার্চ ৪

স্ট্রীল ট্রাঙ্কৰ ৮৫৮৶১০ পইছাৰ এখন হুণ্ডিৰ টকা দি ইনভইচৰ দেনা আদায় কৰিলো। যুগোলীৰ আইসকল ওলাইছে, সেই কাৰণে জে. বৰুৱা যোৱা ৰাতি কলৈকো নোলাল।

মার্চ ৫

বিপিনবিহাৰী মুখুৰ্জিয়ে মোক দুহেজাৰ টকা দিলে—তেওঁৰ বাপেকে আগতে মোৰপৰা ধাৰ লৈছিল। তাৰে হেন্ডনোটখন ওভতাই দিলো। হেজাৰ-টকীয়া দুখন নোট দিলে; আৰু দহটকীয়া দিলে ছখন—এয়া হ'ল সুদৰ বাবদ।

মার্চ ৬

পুৱাতে শিৱপুৰৰ ইয়াৰ্ডলৈ গৈ মৃত্যুঞ্জয় বাবুক লগ নেপালো। তেওঁ ১০+১২ স্লিপাৰৰ বাবে ১৬১৵ অনা আগধন দিছিল। মিস্টাৰ স্টুৱাৰ্টক দেখা কৰিবলৈ গ'লো, তেওঁক টকা দিয়াৰ কথা ক'লো। তেওঁ কাইলৈ ১০,০০০ টকা দিবলৈ কলে। ই. বি. এছৰ মিস্টাৰ ময়েলৰে সৈতে দেখা কৰি কলো, বামৰা ৰজাৰ ছোট স্লিপাৰৰ প্ৰতিবন্ধক হৈছে; মই ছোট স্লিপাৰ দিব পাৰিম বুলি জনালো। ময়েল ছাহাবে মোক আশা দিলে। জে. এন্. সেনে সম্বলপুৰৰপৰা এখাং বিলাহী বেঙেনা, জলকীয়া আৰু কবি পঠিয়াইছে। আজি ডাইক এন্ড্ কোম্পানীৰপৰা লেন্ডলেটখন আনিলো। ইয়াৰ বাবে ১৪ জানুৱাৰীতেই অৰ্ডাৰ দিছিলো। বাকী ১,৭০০ টকা পৰিশোধ কৰিলো।

মার্চ ৭

আজি জাৰ্ডিনে বেঙ্ক অৱ্ বেঙ্গলৰ এখন দুহেজাৰ টকাৰ চেক দিলে।

মার্চ ৮

হৰিনাথৰ এন্ট্ৰেন্চ পৰীক্ষা শেষ হ'ল।

মার্চ ৯

হৰিনাথ পুৱা মোৰ ঘৰত থাকিবলৈ আহিল। নন্দকিশোৰক দহ হেজাৰ টকা দি ঝাড়সোগড়ালৈ পঠালো। আজি পুৱা কিশোৰী বাবু লক্ষ্ণৌৰপৰা উভতিল। আজি মই পুৱাতেই শিৱপুৰ ইয়াৰ্ডলৈ গৈছিলো।

মার্চ ১০

এলবার্ট হলত ফ্লেচাৰ উইলিয়ামে service পাতিছিল; গধূলি তাকে শুনিবলৈ গ'লো। আজি মিছেছ জোড়াসাঁকোলৈ গৈ ব্ৰেক্‌ফাস্ট খালে। মই আবেলি তালৈ গৈ চাহ খালো। ক্ষীৰোদবাবুৱে মোৰপৰা ৫০, টকা ধাৰে ল'লে।

মার্চ ১১

ও. আৰ্. বেলৱেৰ স্টোৰ-কিপাৰ মিস্টাৰ কিটিং পুনৰা আমাৰ টিম্বাৰ চাবলৈ শিবপুৰ ইয়াৰ্ডলৈ আহিল। ভূতনাথ মুখুৰ্জিক বোঁতৰ মূল্যৰ আংশিক ৪০, টকা দিলো। আজি আবেলি মই আৰু মিছেছ হৰিনাথক লগত লৈ চিৰিয়া-খানালৈ গ'লো।

মার্চ ১২

শিয়ালদহলৈ গৈ ই. বি. এছ্. অফিচত বামৰা বজাৰ ছোট স্লিপাৰৰ কথা ক'লো। আউড্ বেলৱে অফিচাৰক লাগে বুলি নেশ্যনেল বেঙ্কৰপৰা ২০০, টকা আনিলো।

মার্চ ১৫

আজি আবেলি জে. বৰুৱাই মোৰ ইয়ালৈ আহি চাহ খাই টেনিছ খেলিলে। মোৰ গাড়ী লেম্পপোস্টত খুন্দা খোৱাত ঘা লাগিল হেবিছন ৰোডত। কোচ-মেনৰ দোষত এই ঘটনা হ'ল।

মার্চ ১৬

পুৰণা মুছলমান কোচমেনক বিদায় দি দোলত কোচমেনক কামত পুনৰা নিযুক্ত কৰা হ'ল। আজি মিস্টাৰ স্টুৱাৰ্টৰপৰা ১০,০০০, টকা পালো। আজি পুনৰা বিপিনবিহাৰী দাসক মহৰ্ষিৰ ওচৰলৈ লৈ গ'লো।

মার্চ ১৭

হৰিনাথ আজি ৰাতিৰ গোৱালন্দ মেইলত জে. বৰুৱা আৰু তেওঁৰ পত্নীৰ লগত আসামলৈ গ'ল। মই শিয়ালদহত তেওঁলোকক বিদায় দিবলৈ গৈছিলো। নন্দকিশোৰে ১০,০০০, টকা লৈ ঝাড়সোগড়ালৈ গ'ল।

মার্চ ২৩

বি. বৰুৱা ৰাতি আসানসোললৈ গ'ল। তাৰপৰা ঝাড়সোগড়ালৈ যোৱাৰ কথা।

মাৰ্চ ২৪

মই দাৰ্জিলিং মেইলত মনিহাৰী ঘাটলৈ যাবলৈ ওলালো ই. বি. এছে আমাৰ ৫৭ ডাল ইবেগুলাৰ কাঠ reject কৰা চাবলৈ।

মাৰ্চ ২৫

পুৱা ছাবে আঠ বজাত কাটিহাৰ পালোগৈ। একজিকিউটিভ ইঞ্জিনিয়াৰৰ হেড ক্লাৰ্ক গোপালদাস চাটাৰ্জিৰ ঘৰত থাকিলো। গধূলি ওভাৰছিয়াৰৰ লগত মনিহাৰী ঘাটত স্লিপাৰ চাবলৈ গ'লো। কাটিহাৰলৈ উভতিলো।

মাৰ্চ ২৬

আজি আকৌ কাটিহাৰত একজিকিউটিভ ইঞ্জিনিয়াৰ মিস্টাৰ স্মিথক দেখা কৰি আমাৰ rejected স্লিপাৰবিলাক ল'বলৈ মিনতি কৰিলো। আবেলি ৩·১৫ মিনিটত কাটিহাৰ এৰি কলিকতাৰ ট্ৰেইন ধৰি পাৰ্বতীপুৰেদি আহিলো।

মাৰ্চ ২৭

দাৰ্জিলিং মেইলত আহি দুপৰীয়া ১১ বজাত শিয়ালদহ পালো।

মাৰ্চ ২৯

ৰত্নৰা পুৱা ঝাড়সোগড়াৰপৰা আহিল। তেওঁ লগতে বুলবুল লগুৱা-টোকো আনিছে। নন্দকিশোৰক ৭,০০০৲ টকা দি ঝাড়সোগড়ালৈ পঠালো। তাৰ লগত ৰামুৰ ঘৈণীয়েকো গ'ল।

এপ্ৰিল ১

ৰাতি পঞ্জাব মেইলত ৰত্নৰা আসানসোললৈ গ'ল। অতুল বাবু আৰু ক্ষীৰোদ বাবুৰ লগত এপ্ৰিল ফুলৰ তামাচা কৰিলো। বেঙ্গল বেঙ্কৰপৰা ১০,০০০৲ টকা আনিলো।

এপ্ৰিল ২

জিতু লগুৱা ঘৰলৈ গ'ল।

এপ্ৰিল ৩

যোগেশ্বৰ ছহিচ কামত সোমাল।

এপ্ৰিল ৬

শ্ৰীৰামপুৰৰ গোপাল বাবুৱে আসানসোলৰপৰা যি টকা ধাৰ ললে আজি তাৰ বাবে ১০৲ টকা সুদ দিলে।

### এপ্ৰিল ৭

বিশিয়া মালী আজি গুচি গ'ল। তাক আজিলৈকে পাব লগীয়া দৰ্মহা দিলো। আজি সত্যেন্দ্ৰনাথ ঠাকুৰ আৰু ইন্দিৰা দেৱীৰ তালৈ গ'লো।

### এপ্ৰিল ৯

চাৰি দিন ছুটীৰ পাছত আজি আমাৰ অফিচ খুলিছে। জানুৱাৰীৰ কলিকতাৰ হিছাপ নকল কৰিলো। ইন্জিনিয়াৰৰ একজামিনাৰ অফিচলৈ গৈছিলো। ই. বি. এছৰপৰা টকাৰ বাবে। টকা আদায় কৰাটো বৰ টান কাম। জাৰ্ডিন স্কিনাৰৰ অফিচলৈ গ'লো।

### এপ্ৰিল ১০

১৪″ আপ+২০ আপ স্কোৱাৰৰ টিকৰ টেন্ডাৰ ওলাল ই. বি. এছত। [ মিস্টাৰ টেট স্টোৰ-কিপাৰৰপৰা আমাৰ সকলোৰে ভিতৰত টেন্ডাৰৰ কম টকা কোট কৰিবলৈ হ'ল। ৯৪৲ টকা, নন্দলালৰো ৯৪৲ টকা দিছে। ইয়াৰ তলতে মোৰ পৰিল। কিন্তু স্টোৰ-কিপাৰৰ ইচ্ছা নন্দলালক অৰ্ডাৰটো দিয়ে।] (প্ৰ. দে.) ছাহাবে মোৰ প্ৰতি বিৰূপ ভাব দেখুৱালে। ৰায় ছাহাব আৰু মিস্টাৰ স্টুৱাৰ্টৰপৰা এখন পৰিচয়ী চিঠি লৈ কাঁচৰাপাৰাৰ মিস্টাৰ জেম্‌ছন ছাহাবেৰে সৈতে দেখা কৰিবলৈ ঠিক কৰিলো। ই. বি. এছ. অফিচত হেবোৱা ইবেগুলাৰ বিলখন মই ডুপ্লিকেট কৰি চহী কৰি দাখিল কৰিলো।

### এপ্ৰিল ১১

ৰাতিপুৱা ৫·৫৫ মিনিটত মই আৰু কিশোৰী বাবু দুয়ো কাঁচৰাপাৰাৰ ট্ৰেইন ধৰিলো মিস্টাৰ জেম্‌ছন্ ছাহাবক লগ ধৰিবলৈ। তেওঁ মোৰ লগত দেখা দিবলৈ অমান্তি হ'ল। পুৱা ১০ বজাত ই. বি. এছৰ্. অফিচলৈ আকৌ উভতি আহিলো। বহুত চেষ্টা কৰি ডুপ্লিকেট বিলবিলাক হিছাপৰ এক্‌জামিনাৰৰ অফিচলৈ পঠিয়ালো। অফিচ বাবুবিলাকে মোক অনাহকত কষ্ট দিয়াত লাগিছে! পান্নালালে বৰুৱাৰপৰা এখন চিঠি আনিলে, স্টুৱাৰ্টৰপৰা টকা আনিবলৈ কৈছে।

### এপ্ৰিল ১২

সুখৰাম ছহিচক তাৰ সকলো দৰ্মহা দি কামৰপৰা গুচালো। ই. বি. এছৰ-পৰা আংশিকভাৱে ইবেগুলাৰ বিলবিলাকৰ টকাৰ চেক পালো।

**এপ্ৰিল ১২**

১০ পাৰ্চেন্ট ৪,২১২৸/৫ পাই।

আচল বিলবিলাকঃ

| | |
|---|---|
| নং ৭৪ ২,৩০৭ ৻৯ | ১০ পাৰ্চেন্ট বাদ দি আদায় |
| নং ৭৫ ১,২২৩৸৶ ৩ | ১,১০১৸/৮ |
| নং ৭৬ ১,১৫০ ৵ ৬ | ২,০৭৫৸/৩ |
| | ৫৫৬৸৵৬ |
| | ৪৭৮ /· |
| | ৪,২১২৸/৫ |

**এপ্ৰিল ১৩**

সুখৰামৰ ঠাইত আন এজন ছহিচ কাম কৰিবলৈ আহিল।

**এপ্ৰিল ১৪**

আজি আমাৰ ঘৰত টেনিছ পাৰ্টি। ক্ষীৰোদ বাবু, নগেন্দ্ৰ আৰু ঠাকুৰহঁত খেলিবলৈ আহিলে।

**এপ্ৰিল ১৫**

জাৰ্ডিনৰ ষ্টুৱাৰ্ট ছাহাবে ১০,০০০৲ টকা দিবলৈ অৰ্ডাৰ দিলে। জাৰ্ডিনে পাৱাৰ অব্ এটৰ্নিখন ওভতাই দিলে। মিস্টাৰ এ. চৌধুৰীৰ ওচৰলৈ গ'লো।

**এপ্ৰিল ১৬**

জাৰ্ডিন স্কিনাৰে ১০,০০০৲ টকাৰ এখন চেক দিলে। আশাৰাম জামাৰক ৩০০৲ টকা দি বৰুৱাৰ ১০ এপ্ৰিলৰ ঝাড়সোগড়াৰপৰা পঠোৱা ড্ৰাফ্‌ট শোধ কৰা হ'ল। ষ্টীল ট্ৰাঙ্কৰ ইনভইচ্ ১,১৪১৶৩ দিলো। ২০০-খন 'আমিষ ও নিরামিষ আহার' কিতাপ বন্ধাবলৈ ৬০৲ টকা আহোদালি দপ্তৰীক দিয়া হ'ল।

**এপ্ৰিল ১৭**

নন্দকিশোৰে বি. এন্. আৰৰ মেইলত ৮,০০০৲ টকা ঝাড়সোগড়ালৈ লৈ গ'ল। মই এটা হোমিওপেথিক্ দৰবৰ বাকচ কিনি তেওঁৰ হাতত দিলো। দাম ১০৸· অনা। হংকং বেঙ্কত ৪,৬০০৲ টকা জমা দিলো। কেদাৰ নন্দীৰপৰা টিকৰ হিছাপত ১০০৲ টকা পালো। বুঢ়া মালীক ৮৲ টকা দৰ্মহাত ৰাখিলো।

**এপ্ৰিল ১৮**

পুৱাতে শিবপুৰ ইয়াৰ্ডলৈ গৈছিলো। আজি ওৰেওদিন ঘৰতে থাকিলো।

**এপ্ৰিল ১৯**

গোহালিটো বহলাব লগীয়া হ'ল। আজি এজন বাজমিস্ত্ৰীয়ে তিনিটা মজদুৰ লৈ কাম কবিছে। সীতানাথ চাটুজেই ১ নম্ববী এহেজাব [ইটা] আবু ডেব নম্ববী ১০ মোন ছুৰ্কি পঠালে।

**এপ্ৰিল ২০**

সীতানাথ চাটুজেই আকৌ এহেজাব এক নম্ববী ইটা আবু দহ মোন ডেব নম্ববব ছুৰ্কি পঠালে। এক কাঠ-মিস্ত্ৰী, এক বাজমিস্ত্ৰী, চাবি মজদুৰে কাম কবিছে।

**এপ্ৰিল ২১**

কুমাবহাটিলৈ গৈ সুববিভব বাস্টটো চালো। গুৰুদাস চাটাৰ্জি আবু সংস্কৃত প্ৰেচ ডিপোজিটাবিলৈ 'আমিষ ও নিরামিষ আহাৰ'ব টকাব বাবে গ'লো। ডাক্তব প্ৰতাপচন্দ্ৰ মজুমদাবব তালৈ গ'লো। এক কাঠমিস্ত্ৰী, এক বাজমিস্ত্ৰী আবু চাবি মজদুৰে কাম কবিছে। সীতানাথ চাটাৰ্জিবপবা ১,০০০ এক নম্ববী ইটা আবু ১০ মোন ছুৰ্কি আহিল। ক্ষিতি বাবুক ১১।৶৹ দিলো। সেয়া শ্যাম বাবুলৈ পঠোৱা ছিবাপব দাম।

**এপ্ৰিল ২২**

কিশোবী বাবুবে সৈতে ট্ৰলিত খিদিবপুৰ, শাপুৰলৈ গ'লো। ট্ৰলিখন পোৰ্ট কমিছনাৰ উপেন্দ্ৰ বাবুৱে দিছিল। গিবিশ বাবুৱে তালৈ শাল স্লিপাব পঠাইছিল। তাকে চাবলৈ গৈছিলো।

**এপ্ৰিল ২৩**

নন্দকিশোবক ৪,৬০০৲ টকা দি ঝাড়সোগড়ালৈ পঠালো।

**এপ্ৰিল ২৪**

দুৰ্গাচবণ মালীক ৮৲ টকা দৰ্মহাত কামত বাখিলো। বুঢ়া ওড়িয়াটোক তাব দৰ্মহাব টকা দি বিদায় দিলো।

**এপ্ৰিল ২৬**

বেঙ্গল বেঙ্কবপবা ৫,০০০৲ টকা ধাবে আনিলো।

**এপ্ৰিল ২৭**

নন্দকিশোবক ৫,০০০৲ টকা দি ঝাড়সোগড়ালৈ পঠালো। ববুৱা আবু ভবানীয়ে মেবামত কবিবলৈ দিয়া ঘড়ী দুটা, লনিতে বি. ববুৱালৈ পঠোৱা

৯

বেছমৰ্ব পাৰ্চেলটো আৰু কিছু শাক-পাচলি নন্দকিশোৰৰ হাতত দি পঠালো। মিস্টাৰ আৰু মিছেছ্ জে. এন্. সেন তেওঁলোকৰ ল'ৰাটি লৈ ইয়ালৈ আহিছে। দাৰ্জিলিঙলৈ যাব। মই তেওঁলোকক শিয়ালদহত থৈ আহিলো।

**এপ্ৰিল ২৮**

এক মিস্ত্ৰী, এক ৰাজ আৰু এক মজুৰে কাম কৰিছে।

**এপ্ৰিল ২৯**

কালিৰ নিচিনাকৈ আজিও কাম চলিছে।

**এপ্ৰিল ৩০**

পুৰা হৰিনাথ আসামৰপৰা পালেহি। ৰাজমিস্ত্ৰী কেৰেই কামলৈ নাহিল।

**মেই ১**

পুৰা হৰিনাথ ভিক্টোৰিয়া হোস্টেলত থাকিবলৈ গ'ল। ৰাধাবজাৰৰ দোকানৰ ভাৰ ল'লে। হাওড়া মিউনিচিপেলিটিক গাড়ী আৰু ঘোঁৰাৰ বাবে ১৬৲ টকা টেক্স দিয়া হ'ল। আজি চিটি অৱ্ গ্লাছগোৰ লাইফ প্ৰিমিয়াম ৭০৷৷· অনা দিয়া হ'ল। শিৱপুৰৰ সুৰেন্দ্ৰলৈ ২২৲ টকা মনি অৰ্ডাৰ কৰি পঠিওৱা হ'ল।

**মেই ৩**

পুৰা ৰবুৰা আহিলে। জাৰ্ডিন স্কিনাৰ এন্ড্ কোম্পানীৰপৰা ১০,০০০৲ টকাৰ এখন চেক পালো। এজন হিন্দুস্থানী মালী ৭৲ টকা বেতন দি ৰখা হ'ল।

**মেই ৪**

জাৰ্ডিন স্কিনাৰে এখন ৩০,০০০৲ টকাৰ আৰু এখন ৫০,০০০৲ টকাৰ দুখন চেক দিলে টিকৰ হিছাপৰ বাবদ। জে. এন্. সেন হাওড়াৰ স্টেশ্যনলৈ আহিছিল। তেওঁক ব্ৰেকফাস্ট খুৱালো। ৫,০০০৲ টকা তেওঁৰ লগত দি ঝাড়সোগড়ালৈ পঠিয়ালো। কলিকতা ময়দানত হকি খেলৰ ফাইনেল চাবলৈ গ'লো। কলিকতা হাৰিল। বয়েল আইৰিঃশে তিনিটা গোল দি কাপটো পালে।

**মেই ১০**

ৰবুৰা ৰাতিৰ পেছেন্জাৰত আসানসোললৈ গ'ল। তেওঁৰ লগত বুলবুল লগুৰা গ'ল। ৰবুৰাক ১০,০০০৲ টকা ঝাড়সোগড়ালৈ লৈ যাবলৈ দিলো।

মেই ১২

ডাক্তৰ বেজবৰুৱা ক্ষীৰোদ বাবুৰ তাত থাকিবলৈ গ'ল।

মেই ১৩

মিস্টাৰ হুইফিনৰ হিছাপত মেছাৰ্ছ গ্ৰিন্ডলে এন্ড্ কোম্পানীক ৩৭৫্ টকা দিয়া হ'ল। ললিতৰামে ৰবালৈ ৩০্ টকা পঠিয়ালো বি. বৰুৱালৈ মুগাৰ পাৰ্চেল পঠাবৰ বাবে। ক্ষীৰোদ বাবুৱে মোক এখন চেক ভঙাবলৈ দিলে। চেকখন এছ্. অৰ্. দাসে দিল্লী বেঙ্কলৈ দিছে। ডাক্তৰ বেজবৰুৱাই ক্ষীৰোদ বাবুক এখন ৪০্ টকাৰ চেক দিছিল; সেইখন এলাহাবাদ বেঙ্কৰপৰা ভঙাই আনিলো। পুৰা শিৱপুৰলৈ গৈছিলো। ২০০ টিক স্কেন্টলিঙৰ টেন্ডাৰ দাখিল কৰিলো শিয়ালদহৰ ইন্জিনিয়াৰিং ডিপাৰ্টমেন্টত। কলিকতা বেঙ্কত ২০০্ টকাৰ চেক জমা দিলো। মেছাৰ্ছ দুৰ্গাদাস দাসে চেকখন দিছিল। স্টীল ট্ৰাঙ্কৰ কনছাইন-মেন্ট তেওঁক বেচা হৈছিল। তেওঁ তাৰেই এয়া আংশিক টকা আদায় কৰিলে।

মেই ১৪

যোগেশ্বৰ ছহিচক কোচমেনৰ লগত কাজিয়া কৰা বাবে কামৰপৰা এৰুৱালো। তাক সকলো দৰমহা দিলো। ই. আই. ৰেলৱেই লোৱা প্লেঙ্কবোৰ কোট্ কৰা হ'ল—১২″×১″, ১২″×২″, ১২″×৩″, ১২″×৪″। কিউবিক ফুটত ৩৸/· লেখিবলৈ পাহৰি ২৸/· লেখিলো। বাধাবাজাৰৰ দোকানলৈ গৈ হিছাপ ললো। ৰায় ছাহাবেৰে সৈতে দেখা কৰি শঙ্কৰনাথ পণ্ডিতক দিবলৈ তেওঁৰ হাততে ২০্ টকা দিলো। ক্ষীৰোদ বাবুক লগ পাই তেওঁক ১০০্ টকা ধাৰ দিলো।

মেই ১৫

আজি আকৌ সুখৰাম ছহিচক কামত ৰখা হ'ল। দুটা বোম্বে কাঠমিস্ত্ৰীয়ে বাগিচাৰ গেটৰ ফ্ৰেম সাজিছে। ই. আই. ৰেলৱেৰ অফিচলৈ গৈ কালিৰ বিলৰ ভুলটো সংশোধন কৰি দিবলৈ লেখিলো। কিন্তু ইতিমধ্যে অৰ্ডাৰটো পালে-হিয়েই। কাটিহাৰৰ এক্জিকিউটিভ ইন্জিনিয়াৰক লেখি জনালো ৫৭-খন স্লিপাৰৰ ভিতৰৰ ৩৪-খন ল'বলৈ। দীননাথ পাণ্ডেৰ ফাৰ্মত শনিবাৰে টকা দিবৰ বাবে ক'লে। বাৰ্ন কোম্পানীত টিক স্কোৱাৰৰ টেন্ডাৰ দিলো। কেৰাণী কিশোৰী বেমাৰ পৰাৰ বাবে তিনি দিনৰ ছুটী লৈছে।

মেই ১৬

মিস্টাৰ জে. এন্. সেন দাৰ্জিলিঙলৈ যাবলৈ আহি বাটত আমাৰ ইয়াত খোৱা-বোৱা কৰিলেহি। তেওঁ সম্বলপুৰৰপৰা আহিছে। মই তেওঁক শিয়ালদহ

স্টেশ্যনলৈ গৈ বিদায় দিলো। দুইটা কাঠমিস্ত্ৰী আহি কাম শেষ কৰিলে গেটৰ দুটা ফ্ৰেমৰ। পোৰ্ট কমিছনাৰক স্কেন্টলিঙৰ টেন্ডাৰ দিলো খনে ২।।৶· অনা ধৰি। ভূতনাথ বাবুক বাগানৰ কাঁচিখনৰ দাম ২৲ টকা দিলো। নন্দকিশোৰে দি আহিল। কিশোৰী কেৰাণী নাহিল।

**মেই ১৭**

কলিকতাৰ এপ্ৰিলৰ হিছাপ লিখি ঝাড়সোগড়ালৈ বি. বৰুৱাৰ নামত পঠালো। আজি ইয়াৰ্ডৰপৰা ৪৯৭।৶· অনা পালো; তাৰে ৪০০৲ টকা নেশ্যনেল বেঙ্কত জমা দিলো। শ্ৰীনাথ কৰতীয়াক ৫০৲ টকা দিলো।

ইয়াৰ্ডৰ মতিৰাম জমাদাৰে ধাৰে লোৱা ২০৲ টকা পৰিশোধ কৰিলে। পুৰা বাৰ্ন কোম্পানীৰ মিস্টাৰ টেইলাৰে টিক স্কোৱাৰ চালেহি। বেঙ্গল-নাগপুৰৰ টিক স্কোৱাৰ আৰু টিক স্লিপাৰৰ বিল গাৰ্ডনাৰিচলৈ পঠিয়ালো। তাৰ অফিচলৈ নন্দকিশোৰে নিলে। মোক মহৰ্ষি কৰ্তামশায়ৰ জন্মদিনলৈ মাতিছিল। ঘোঁৰাবোৰ বেমাৰ পৰিছে; কেৰেয়া গাড়ীও নাপালো; যোৱা নহ'ল। আজিও কিশোৰী কেৰাণী নাহিল। এক কাঠ-মিস্ত্ৰীয়ে বিচনীৰ নাল সাজিলে। ৰাধা-কিষণক টিক স্লিপাৰৰ দাম ৪,৮৪০৲ টকা দিলো। ।৶· পইছা বাদ দি বেঙ্গল বেঙ্কৰ চেক দিলো।

**মেই ১৮**

বেঙ্গল বেঙ্কৰপৰা ১০,০০০৲ টকা অনা হ'ল। কাইলৈ ঝাড়সোগড়ালৈ পঠাব লাগে।

**মেই ১৯**

লেঙেৰা মুছলমান ছহিচটোক এৰি দি এজন হিন্দু ছহিচ ৰখা হ'ল। তাৰ নাম জকুক। মুছলমান ছহিচটোক ৩৬ দিনৰ দৰ্মহা ৯।।/১০ পইছা দিলো।

**মেই ২০**

বি. এম্. চাটাৰ্জিয়ে তেওঁৰ হেন্ডনোটৰ ৫০৲ টকাৰ আংশিক দিলে। ক্ষীৰোদ বাবুৰে তেওঁৰ নামত মোৰপৰা লৈছিল।

**মেই ২১**

অফিচৰ বাবে আজিৰপৰা এজন পাংখাৱলা ৰখা হ'ল। পুৱাতে শিৱপুৰ ইয়াৰ্ডলৈ গৈছিলো। অফিচৰ বাবে নেশ্যনেল বেঙ্কৰপৰা ৪০০৲ টকা অনা হ'ল। কিশোৰী কেৰাণীক ৫৲ টকা দি বাধাবজাৰৰ দোকানৰ হিছাপ নিকাচ কৰিবলৈ কৰিলো।

মেই ২৩

কিশোৰী বাবু ৭০০৲ টকালৈ লক্ষ্ণৌ লৈ গ'ল।

মেই ২৫

মোৰ ব্যৱহাৰৰ বাবে কিশোৰী বাবুৰ ঘোঁৰাটো অনা হ'ল।

মেই ২৭

কিশোৰী বাবুৱে আজি লক্ষ্ণৌৰপৰা টিকৰ হিছাপ-পত্ৰ ঠিক কৈ বন্দৱস্ত কৰি আহিল। কিশোৰী বাবুৰ ঘোঁৰাটো ঘূৰাই দিলো। ক্ষীৰোদ বাবুৰ ল'ৰাৰ অন্নপ্ৰাশনলৈ গৈছিলো। মিছেছো মোৰ লগত গৈছিল। তেওঁলোক নতুন ঘৰলৈ উঠি গৈছে। ৰাতি এক পংখাৱালা ৰাখিলো ছটকা দৰমহাত।

মেই ২৮

ই. বি. এছৰপৰা ইৰেগুলাৰ কাঠৰ বাবে ২৮৮৷৴৮ পাই পালো। ৫৪৲ টকা কাটি ল'লে। ৰাধাবজাৰৰ ভি. দাসৰপৰা ১০০৲ টকা পালো কলিকতা বেংকৰ চেক যোগে স্ট্ৰীল ট্ৰাংক বেচাৰ হিছাপত।

মেই ২৯

আজি মোৰ কৰেলিৰ *Master Christian* কিতাপখন শেষ কৰিলো। মোৰ গাড়ীত উঠি নিউ মাৰ্কেটলৈ গ'লো। ইমান দিনে ঘোঁৰাটোৰ ভৰিত ঘা হোৱা বাবে তাক গাড়ীত জোঁটা নাছিলো। বিলাসপুৰৰ বেৰিস্টাৰ এন্. দেৱ বাবে আম আৰু লিচু কিনি পঠালো। কালি ই. বি. এছৰ চেকখন পালো; আজি হংকং বেংকত তাক জমা দিলো। কলিকতা বেংকত দুৰ্গাদাসৰ ১০০৲ টকাৰ চেকখন জমা দিবলৈ পঠিয়ালো। সুষমা আমাক দেখা কৰিবলৈ আহিল। মই, যোগেন্দ্ৰ, ক্ষিতিবাবু আৰু মোৰ পৰিবাৰ টেনিছ্ খেলিবলৈ লাগিলো।

মেই ৩১

জে. এম্. এন্ড্ কোম্পানীৰপৰা টিকৰ হিছাপত ২৫,০০০৲ টকা আদায় পালো।

জুন ১

হংকং বেংকত ১৫,০০০৲ টকা জমা দিবলৈ পঠালো। ১০,০০০৲ টকা মই নিজে লৈ ঝাড়সোগড়ালৈ গ'লো। দুপৰ ৰাতি পালোগৈ। বি. বৰুৱাৰ লগত দেখা নহ'ল। তেওঁ পেন্ড্ৰা ৰোডত জ্বৰত পৰি আছে।

জুন ২

বি. বৰুৱালৈ ঝাড়সোগড়াৰপৰা টেলিগ্ৰাফ কৰিলো, মই তেওঁৰ ওচৰলৈ যাব লাগিছো। দুপৰ ৰাতি লাগেজ আদি লৈ স্টেশ্যনলৈ গ'লো। স্টেশ্যনত খবৰ পালো, সম্ভৱ তেওঁ ঝাড়সোগড়ালৈ আহিছে। মই আকৌ ঘৰলৈ উভতিলো।

জুন ৩

ঝাড়সোগড়াত।

জুন ৪

বি. বৰুৱা ৰামাচৰণ আৰু ডিসুজাৰে সৈতে পেন্ড্ৰা ৰোডৰপৰা ইয়ালৈ আহিল। ডিসুজা ৰাতিয়েই বিলাসপুৰলৈ গ'ল। বি. বৰুৱা ভালেই আছে।

জুন ৫

বৰুৱা ৰঘুনাথপালিলৈ গ'ল। মই আৰু ৰামাচৰণ বাবু মেইলত উঠি হাওড়ালৈ গ'লো। মই ঝাড়সোগড়াৰপৰা কিছুমান গোলাপ আৰু চামেলি ফুলৰ কলম লৈ আহিলো।

জুন ৬

হাওড়া পাই দেখিলো, সকলোটি ভালেই আছে। হংকং বেঙ্কৰপৰা ১৫,০০০৲ টকা আনি নন্দকিশোৰক দি ঝাড়সোগড়ালৈ পঠিয়ালে। লগতে শাক-পাচলি।

জুন ৭

আজি আবেলি তিনি বজাৰপৰা এক মুছলমান খানচামা ৰাখিলো দহ টকা দৰমহাত।

জুন ৮

আজি খানচামাটো নাহিল। ছহিচৰ ঘৈণীয়েকক পাঙখাৱলা কৰি ৰাখিলো।

জুন ৯

বি. বৰুৱা মেইলত ঝাড়সোগড়াৰপৰা ইয়ালৈ আহিল।

জুন ১২

কেৰা মিস্ত্ৰীয়ে আজিৰপৰা এটা আলমাৰি কৰিবলৈ আৰম্ভ কৰিলে।

জুন ১৩

এক বুঢ়া খানচামা ল'লো। আজি মিস্টাৰ এ. চৌধুৰীৰ জন্ম-দিন। আমি ৰাতি তেওঁৰ ঘৰলৈ গৈ ডিনাৰ খালো। কেৰাই কাম কৰিছে।

জুন ১৪

কেৰাই কাম কৰিছে। জাৰ্ডিনৰপৰা স্লিপাৰৰ হিছাপত ১০,০০০৲ টকা এখন চেক পালো। টিকৰ হিছাপত জাৰ্ডিনক ৭,০০০৲ টকাৰ এখন চেক দিলো।

জুন ১৫

কেৰাই কাম কৰিছে।

জুন ১৬

কেৰাই কাম কৰিছে। তাৰ লগৰীয়া কাঠমিস্ত্ৰীটোৱে আধাবেলা কাম কৰিলে।

জুন ১৭

কেৰাই আৰু লগৰ মিস্ত্ৰীটোৱে পুৰা দিন কাম কৰিছে। বি. বৰুৱা আজি মেইলত ঝাড়সোগড়ালৈ গ'ল। ই. আই. আৰত ৫০০ টন টিকৰ টেন্ডাৰ দিলো। আমাৰ নিৰিখ সকলোতকৈ কম হৈছে—প্ৰতি টনে ৯১৲ টকা। কালীকৃষ্ণ প্ৰামাণিকক১০,০০০৲ টকা ধাৰে দিলো ৭৲ টকা সুদত। তিনি মাহৰ পাছত টকা পৰিশোধ কৰিব। হাওড়া ডকিং শ্বেয়াৰে মোক বাধা দিলে। বেঙ্গল বেঙ্কৰপৰা এই দহ হেজাৰ টকাৰ কিছু অংশ overdraw কৰা হ'ল।

জুন ১৮

কেৰা আৰু লগৰ মিস্ত্ৰীয়ে গোটেই দিন কাম কৰিলে।

জুন ২০

আই. জি.-ৰ ৫০০ টন টিক inspect কৰিবলৈ ই. আই. বেলৱেৰপৰা মিস্টাৰ গ্ৰান্ট আহিল। আমি ৯১৲ টকাতেই অৰ্ডাৰটো পালো। পোৰ্ট কমিছনৰ ৮৮টা লগৰ অৰ্ডাৰ আছিল। মিস্টাৰ লুইছ আৰু পন্টন ৪৯টা লগ পাছ কৰিলে।

জুন ২১

বেঙ্গল বেঙ্কৰপৰা ২০,০০০৲ টকা ওভাৰড্ৰাফ্‌ট কৰি টিকৰ হিছাপত জাৰ্ডিন স্কিনাৰক দিয়া হ'ল। তালিবে দুটা মজুৰ লৈ আধাবেলা কাম কৰিলে। তালিবক এটকা আগধন দিলো। সুৰভিৰ মন্দিৰটো আজিৰপৰা আৰম্ভ কৰিলো।

জুন ২২—২৩

তালিব নাহিল।

জুন ২৪—২৫

তালিব আৰু তাৰ ঘৈণীয়েকে কাম কৰিছেহি।

জুন ২৬

আজিও দুয়ো কাম কৰিছে। তালিবক এটকা দিলো।

জুন ২৭

তালিব নাহিল।

জুন ২৮

তালিবে কাম কৰিছে।

জুন ২৯

তালিবে কাম কৰিছে। শাল স্লিপাৰৰ হিছাপত জাৰ্ডিনৰপৰা ৩০,০০০১ টকা পালো।

জুন ৩০

তালিবে কাম কৰিছে। আজি ৭·১০ মিনিটত ক্ষীৰোদ বাবু মাদ্ৰাজ মেইলত কটকলৈ গ'ল। মই হাওড়া স্টেশ্যনত গৈ দেখা কৰিলো।

জুলাই ১

বেঙ্গল বেঙ্কত ৩০,০০০১ টকা জমা দিলো। ছাৰে তিনি টকা সুদত ৫,০০০১ টকাৰ গভৰ্নমেন্ট প্ৰমিছৰি নোট কিনিলো। শিয়ালদহ পোৰ্ট স্টোৰত যি ১০০ টন টিকৰ টেন্ডাৰ submit কৰিলো। আমি সকলোতকৈ কম ৰেট দিলো—৯০৮· অনা; প্ৰামাণিকৰ ৯১৮·। খানু মাণিকক হুণ্ডি যোগে ৬,০০০১ টকা দিলো। ইব্ৰাহীম ওসমানক ৩,০০০১ টকা দিলো বেঙ্গল বেঙ্কৰ চেকত। বি. বৰুৱাই তেওঁৰপৰা ঝাড়সোগড়াত সেই টকা লৈছিল। তালিব পুৱা ছয় বজাত আহি গধূলি ছয় বজালৈকে কাম কৰিলে।

জুলাই ২

তালিবক এটকা আগধন দিলো। পুৱা মই কিশোৰী বাবুৰ লগত শিৱপুৰ ইয়াৰ্ডলৈ গৈ দেখিলো, ই. আই. আৰৰ মিস্টাৰ গ্ৰান্টে আমাৰ টিম্বাৰ

পাছ কৰিব লাগিছে। আজি তেওঁ ১১৫ পাছ কৰিলে। ব্ৰেকৱেলৰ ছাহাবেও ৬টা লগ পাছ কৰিলে।

জুলাই ৩

তালিব নাহিল।

জুলাই ৪

তালিব পুৰা ছয় বজাত কামত লাগিলাহি।

জুলাই ৫

তালিব কালিৰ গতেৰে কাম কৰিছে।

জুলাই ৬

তালিব আহিছে, অৱশ্যে ছয় বজাৰপৰা নহয়। এক বাজ আৰু মজুৰ লগত আনিছে। জাৰ্ডিনে ১৫,০০০৲ টকাৰ চেক দিব, কিন্তু অহা সোমবাৰলৈহে চেক সাজু হ'ব। ই. বি. এছৰ ১০০ টন টিকৰ স্কোৱাৰৰ অৰ্ডাৰ পালো; ৰেট ৯০৸৹। গোপী আৰু জিতু ঘৰৰপৰা ঘূৰি আহিল।

জুলাই ৭

কেৰা আৰু আনবোৰ কাঠমিস্ত্ৰীৰ কাম হৈ গ'ল। কেৰাৰ ২৬ দিনৰ ১৶৹ হিছাপত ২৯৷৹ অৰু গোকুল কাঠমিস্ত্ৰীৰ ২১½ দিনৰ ১৴৹ হিছাপত ২২৸৴১০; মুঠ ৫২৴১০।

জুলাই ৮

তালিবৰ কাম শেষ হ'ল। তাক সকলো আদায় কৰি দিলো। জে. এছ. এন্ড কো৹-ৰ পৰা ১৫,০০০৲ টকাৰ এখন চেক পাই বেঙ্গল বেঙ্কত জমা দিলো। ই. আই. আৰ্. টিক্ ডিপাৰ্টমেন্টৰ টকা আংশিকভাৱে দিলে, সেয়াও জমা দিলো। হাজী খান মুন্সীক বেঙ্গল বেঙ্কৰ চেকত ১০,০০০৲ টকা দিলো ৫ জুলাইৰ বি. বৰুৱাৰ ড্ৰাফ্টৰপৰা দিয়া হ'ল।

জুলাই ৯

সন্ধ্যাৰ মেইলত বি. বৰুৱা ঝাড়সোগড়াৰপৰা আসানসোলৈদ আহিলে।

জুলাই ১২

বৰুৱা আজি আসানসোললৈ গ'ল।

জুলাই ১৩

১২ জুলাইৰ ড্ৰাফ্‌ট মতে টাব মহম্মদ আয়ুবক ৫,০০০ টকা দিয়া হ'ল। এই ড্ৰাফ্‌টখন ঝাড়সোগড়াৰপৰা আনিলে।

জুলাই ১৪

আজি সুৰ্বাভিৰ মুৰ্ত্তিটো মন্দিৰৰ ভিতৰত ৰখা হ'ল।

জুলাই ১৫

পুৰা মিস্টাৰ গ্ৰান্টৰ পাছিং চাবলৈ গ'লো। তেওঁ বৰ ভাল ধৰণে পাছ কৰিলে—১৫০ খন স্কোৱাৰৰ ভিতৰত ১৩৪ খন।

জুলাই ২২

আজি কেৰাৰ পাঁচ দিন হাজিৰা হ'ল। তাৰ কাম বন্ধ হ'ল।

জুলাই ২৩

গোপীনাথ বৰুৱাই বি. বৰুৱাৰ হৈ হাজী খান মুন্সীক এখন ড্ৰাফ্‌ট দিছিল বেঙ্গল বেঙ্কৰ চেকত। ২০ তাৰিখৰ চহী কৰা আছে। ই. আই. আৰৰ গাড়ী আৰু ওৱাগন ডিপাৰ্টমেন্টৰ টেণ্ডাৰ পালো।

জুলাই ২৪

পুৰা মুছলমান খানচামাক এই মাহৰ ২৩ দিনৰ ১০।৵৫ দি বিদায় দিলো।

জুলাই ২৭

জি. বৰুৱাই বি. বৰুৱাৰ হৈ এখন ড্ৰাফ্‌ট দিলে। মই বেঙ্গল বেঙ্কৰ ৭৪ নম্বৰ চেক দি হাজী খান মুন্সীক শোধ কৰিলো। সাব মেতৰে কাম এৰিলে।

জুলাই ২৯

নাগু মেতৰ কামত লাগিল। ৮ টকা তলব ঠিক হ'ল।

জুলাই ৩১

লৰা মিস্ত্ৰীৰ হাজিৰা ৫ দিন, বাৰ্নিঃশৰ কামত ৪ দিন।

আগষ্ট ১

কেৰাই আকৌ অকলেই কাম কৰিবলৈ লাগিল।

আগস্ট ২

কেবাই অকলশবে কাম কবিছে। পদ্রা বি. বৰদ্রা ঝাড়সোগড়াবপবা আহিল। মই মিস্টাব গ্রান্টব পাছিং চাবলৈ গ'লো। তেওঁ মাথোন ৭৭ ডাল টিম্বাব পাছ কবিলে।

আগস্ট ৩

বি. বৰদ্রাব ইনফ্লদ্রেঞ্জা; বিচনাত পবি আছে।

আগস্ট ৪

মিস্টাব বি. বৰদ্রাক চিকিৎসা কবিবলৈ ছোট ডাক্তব দত্তক মতা হ'ল। বি. বৰদ্রাব আজি অৱস্থা বেয়া।

আগস্ট ৫

ডাক্তব কেদাবনাথ আহি বি. বৰদ্রাক চাই দবব লেখি দিলে।

আগস্ট ৬

কেবাব কাম শেষ হ'ল।

আগস্ট ৭

ডাক্তব কে. এন্. দাস আহি বৰদ্রাক চালে।

আগস্ট ১১

প্রজ্ঞাক লৈ মই জোড়াসাঁকোলৈ গ'লো। আজি সদ্নতাব ফদ্লশয্যা হ'ব।

আগস্ট ১২

বি. বৰদ্রা ববাকব পেছেন্জাবত ১২·৪৫ মিনিটত আসানসোলেদি ঝাড়-সোগড়ালৈ যাবলৈ ওলাল। বামাচবণ বাবদ্ তেওঁব লগত গ'ল। শিৱপদ্রব ইয়ার্ডলৈ গৈ কেবাণী উপেন্দ্রমোহন সিংহক এছিস্টেন্ট কবি তাতে বাখিলো। কেবাক তাব বাকী ১।৵· দিলো।

আগস্ট ১৮

স্বর্ণব এটা ল'বা জন্ম হ'ল। বব কষ্ট পালে। মই আবদ্ মিছেছ্ গোটেই দিন তেওঁব ঘবত আছিলো। ডাক্তব এম্. এন্. বানার্জিক মাতিবলৈ গ'লো। কিন্তু ডাক্তব অহাব আগতেই অশৌচ লাগিল।

আগষ্ট ২২

পদুৰা বি. বৰুৱা আহিল।

আগষ্ট ২৩

ক্ষীৰোদ বাবু কটকৰপৰা মাদ্ৰাজ মেইলত সাঁজৰ সাত বজাৰ গাড়ীত আহিল। মই মোৰ গাড়ীত উঠাই তেওঁৰ ঘৰলৈ আনিলো।

আগষ্ট ২৪

বি. বৰুৱা ১০ বজাৰ পেছেঞ্জাৰত আসানসোলেদি ঝাড়সোগড়ালৈ গ'ল।

আগষ্ট ২৫

ৰাতি মিস্টাৰ এ. চৌধুৰীৰ ঘৰলৈ তেওঁৰ ল'ৰাৰ অন্নপ্ৰাশনলৈ গ'লো। ডাঙৰ ভোজ।

আগষ্ট ২৬

মই ক্ষীৰোদ বাবু আৰু ক্ষিতি বাবুৰ লগত টেনিছ খেলিলো। ক্ষীৰোদ বাবুৱে আমাৰ লগত ডিনাৰ খালে।

আগষ্ট ২৭

১৯০০ ছনৰ ডিচেম্বৰৰ হিছাপৰ ডুপ্লিকেট কপি ঝাড়সোগড়ালৈ বি. বৰুৱালৈ পঠাই দিলো। মিছেছ ইউ. ডি. বানাৰ্জ্জি আৰু প্ৰিয় আহিল, মিছেছ বানাৰ্জিৰ ল'ৰাৰ অন্নপ্ৰাশনৰ বাবে নিমন্ত্ৰণ কৰিলে। শনিবাৰে হ'ব।

আগষ্ট ২৮

১৯০১ ছনৰ মেই মাহৰ হিছাপটো বৰুৱালৈ পঠালো। টিক ডিপাৰ্টমেন্টৰ ধাৰৰ টকা সম্পূৰ্ণ পালো। মিস্টাৰ ডোৰেগক ২৫, টকা দিলো মোৰ ঘৰত। মিছেছৰ আজি বৰ অসুখ—সেই কলিক বেমাৰ। বুকুত বিষ আৰু বমি।

আগষ্ট ২৯

জুন মাহৰ হিছাপৰ নকলটো ঝাড়সোগড়ালৈ বৰৱালৈ পঠালো। পৰি আজি ভালে আছে। বিনোদলাল কবিৰাজ আহি চাই দৰৱ দিলে। ৪, টকা ভিজিট দিলো। মোৰ শাহু আয়ে দুৰ্গা নামে এজনী ছোৱালী পঠিয়াইছে প্ৰজ্ঞাৰ আল-পৈচান ধৰিবলৈ। জে. এছ্. এন্ড কোঃ-ৰ (বি. টি. টি. কো.) খলাবাম মুখুৰ্জিক ২০০, টকাৰ হংকং বেঙ্কৰ চেক দিলো ধাৰলৈ। শতকৰা ১২, টকা সুদ।

হেন্ডনোট লেখি দিলে। ২,০০০৲ টকাৰ লাইফ পলিচি এখন ৰখা হ'ল আমানত হিছাপে।

আগষ্ট ৩১

উমাদাস বানাৰ্জিৰ ল'ৰাৰ অন্নপ্ৰাশনলৈ গৈ এটা ৰূপৰ গাখীৰ খোৱা জাগ উপহাৰ দিলো। বিলাসপুৰলৈ বি. বৰুৱালৈ দুখাং ফল পঠালো। ভৱানী মেইলত ঝাড়সোগড়ালৈ যাব কাৰণে তেওঁৰ হাতত দুখন এড়ি কাপোৰ দিলো।

ছেপ্টেম্বৰ ১

৭·১০ মিনিটৰ মাদ্ৰাজ মেইলত ক্ষীৰোদ বাবু কটকলৈ গ'ল। স্টেশ্যনলৈ গৈ মই বিদায় দিলো। মোৰ শৰীৰ বেয়া হোৱাৰ কাৰণে হৰিনাথক মিছেছৰ চাবলৈ-মেলিবলৈ আনিলো।

ছেপ্টেম্বৰ ২

প্ৰজ্ঞাৰ অলপ ভাল হৈছে। ময়ো ভালে আছো। মিস্টাৰ জে. চি. দত্তৰ লগত দেখা কৰি ক্ষীৰোদ বাবুৰ ঘৰৰ দলিলখন দেখুৱালো দলিলখনৰ ভিত্তিত টকা ধাৰে দিব পৰা যাবনে নাযায়। তেওঁ দলিলখন নিজৰ হাতত ৰাখিলে। বি. বৰুৱাৰ তাঁৰ পাই মিস্টাৰ স্টুৱাৰ্টৰ ওচৰলৈ গৈ ১০,০০০৲ টকা দিবলৈ ক'লো। কিন্তু তেওঁ ক'লে অফিচিয়েল চিঠি দিব লাগিব। ক্ষীৰোদ বাবুৰ ভৱানীপুৰৰ ঘৰৰ দলিলখন লগতে দিব লাগিব।

ছেপ্টেম্বৰ ৩

বেংগল বেঙ্কৰপৰা ১০,০০০৲ টকা আনি ঝাড়সোগড়ালৈ পঠালো। উমেৰিয়াৰপৰা বি. বৰুৱাই আৰ্জেন্ট টেলিগ্ৰাফ কৰিছে। নন্দকিশোৰে টকা লৈ গ'ল। মিস্টাৰ গ্ৰান্টে ৪৬৫ ছোট টিক স্কোৱাৰ পাছ কৰিলে। এম্. এল্. সকলো ল'লে অৰ্থাৎ ৯০ গ'ল, তাৰ উপৰি প্ৰামাণিকৰপৰা ডি. এল্. আনিলো। নেশ্যনেল বেঙ্কৰ ১০,০০০৲ টকাৰ চেক প্ৰামাণিকক দিলো আমাক ডি. এল্. দিয়া বাবে। প্ৰামাণিকৰ সুন্দৰ ৪০০০৲ টকাৰ বিল দাখিল কৰা হ'ল। এয়া ১৮৯৯ ছনৰ ১০ অক্টোবৰৰে। এতিয়া নকৈ ১০,০০০৲ টকাৰ ধাৰ দিবলৈ কোৱা হ'ল। মিছেছ আজি ভালেই আছে। ৰাতি ঝাড়সোগড়ালৈ পঠোৱা হিছাপৰ কিছু নকল কৰা হ'ল।

ছেপ্টেম্বৰ ৪

নেশ্যনেল বেঙ্কৰপৰা ১,৭৮৮৷৵· জমা অনা হ'ল। গ্ৰান্ট ছাহাবৰ বাবে ১,০০০৲ টকা আৰু তেওঁৰ বাবুক ৭৮৮৷৵· দিব লাগিব হিছাপ অনুসাৰে।

কিশোৰী বাবুৰে চেকখন ভঙাই আনিলে। বৰ বৰষুণ হৈছে। হৰিনাথ আজি ইয়াৰপৰা কলিকতাৰ তাৰ ঘৰলৈ গ'ল। মিছেছ বহুত ভালে আছে। গোপী বাবুৰে খানুমুসাক ৮,০০০্ টকাৰ এখন চেক দি মোৰ ওচৰলৈ পঠাইছে। মই সেইখন গ্ৰহণ নকৰি উমেৰিয়ালৈ টেলিগ্ৰাফ কৰি বৰুৱাক সুধিলো, এই টকা দিয়া উচিত হ'বনে? মোৰ শাহু আই আহিল প্ৰজ্ঞাক চাবলৈ। মাসিমাও তেওঁৰ লগত আহিছিল। আবেলি কিশোৰী বাবুৰ লগত মই শিৱপুৰলৈ গ'লো। হংকং বেঙ্কৰ ৮০০্ টকাৰ এখন চেক হৰিনাথক দিলো স্টীল ট্ৰাঙ্কৰ সকলো ইনভইচ পৰিস্কাৰ কৰিবলৈ।

**ছেপ্টেম্বৰ ৫**

চোৰেবামৰ ঠাইত এক নতুন বুঢ়া দাৰোৱান ৰাখিলো। আনন্দ বান্ধনি। তাৰ ঘৰৰপৰা পালোহি। সেই মিলিটেৰি ছহিচটোৱে সৰু ঘোঁৰাটো খোৰা কৰাৰ অপৰাধত তাক যৈণীয়েকে সৈতে বৰখাস্ত কৰিলো। এটা ল'ৰা ছহিচ ৰাখিলো। পুৱাহে মিস্টাৰ গ্ৰান্টৰ লগত দেখা কৰি ছোট টিম্বাৰৰ বাবে আংশিক ১,০০০্ টকা দিলো। শিৱপুৰলৈ আহিলো। মিস্টাৰ ডোৱেগৰ ঘৰলৈ গ'লো। তেওঁক লগ নেপালো ভগৱান দাসৰ মানুহ আহি ক'লে, এল্. এম্. স্কোৱাৰ ৯৪্ টকা হিছাপত বেচিবলৈ ৰাজী আছে, কিন্তু আগৰ বিলৰ টকা শোধ কৰিব লাগিব। শাহু-আই ঋতু বাবুৰে আহিল। দ্বিতীয় খণ্ড 'আমিষ ও নিরামিষ আহার' ছপাবৰ বাবে কাগজৰ কাৰণে ১০্ টকা ঋতু বাবুক দিলো। 'লিতিকাই' ছপোৱাৰ কাগজৰ বাবেও তেওঁক ১০্ টকা দিলো। মিস্টাৰ জে. চি. দত্তই মোক বিচাৰি ঘৰলৈ আহি নাপাই উভতি গ'ল।

**ছেপ্টেম্বৰ ৬**

গোটেই দিন দপ্‌দপীয়া বৰষুণ। বাঁচীৰ টি. এন্. বিস্বাসৰপৰা ১০্ টকা পালো। সেয়া টিকৰ হিছাপত ধৰিব লাগিব। এলাহাবাদৰ মেছাৰ্ছ এম্. বি. নেফাৰ এন্ড্ কো·-ৰপৰা ৩৫২্ টকা পালো। ই টিকৰ হিছাপৰ টকা। পুৱা ব্ৰিটিংশ ইন্ডিয়া আৰু ই. আই. আৰত টেন্ডাৰ দাখিল কৰা হ'ল।

**ছেপ্টেম্বৰ ৭**

আজি বৰষুণ এৰিছে। জাৰ্ডিন স্কিনাৰ এন্ড্ কোম্পানীয়ে বেঙ্গল বেঙ্কৰ ৩০,০০০্ টকাৰ এখন চেক দিলে। মই নিজে গৈ বেঙ্গল বেঙ্কত জমা দি আহিলো। শিয়ালদহত বাকী টকা আদায় কৰিবলৈ গ'লো। কিন্তু পলম হোৱা বাবে টকা নেপালো।. এটৰ্নি জে. চি. দত্তৰ তালৈ গৈ দেখা কৰিলো। তেওঁ সম্বলপুৰলৈ যাবৰ ইচ্ছা প্ৰকাশ কৰিলে। মই গোপী বাবুলৈ টেলিগ্ৰাফ কৰিলো

তেওঁক ঝাড়সোগড়াত receive কৰিবৰলৈ। সম্বলপুৰৰ জে. এন্. সেনলৈ টেলিগ্ৰাম কৰিবলৈ যেন দত্তক তেওঁৰ ঘৰতে ৰাখে। এই বিষয়ে বি. বৰুৱালৈও এটা টেলিগ্ৰাম দিলো। ৩০,০০০্ টকা পোৱাৰ খবৰটোও দিলো। টিক অফিচৰ হিছাপত পোৰ্ট কমিছনাৰৰপৰা ৭৬্ টকাৰ এখন চেক পালো। স্বৰ্ণক দেখা কৰি ভৱানীপুৰৰ মাটিৰ দলিলখন লৈ আহিলো। ক্ষীৰোদ বাবুলৈ লেখিলো, তেওঁ যেন এখন হেন্ডনোট আৰু উপৰুৱা জামিন-স্বৰূপে এখন চিঠি পঠায়। আমাৰ আগৰ আয়া দৌলত কোচমেনৰ ঘৈণীয়েকজনী আজি মৰিল।

ছেপ্টেম্বৰ ৮

বাগমাৰিৰপৰা ৩৷· অনা দি কিছুমান গছ আনিলো।

ছেপ্টেম্বৰ ৯

পুৱা শিৱপুৰলৈ গৈছিলো। ই. বি. এছ্. আৰৰপৰা টিকৰ বাবে ৬,০০০্ টকাৰ এখন চেক পালো। ভগৱান দাস বগল্যাক এল্. এমন বাবে ২,৫৫৫্ টকাৰ এখন চেক দিলো। আয়াৰলেন্ড আৰু স্কটলেন্ডৰ বাগৰি খেলা চাবলৈ গ'লো। স্কটহ'ত এটা পইন্টত জিকিল। ঝাড়সোগড়ালৈ আগস্টৰ হিছাপটো নকলকৈ পঠালো। ৫ তাৰিখে কামত সোমোৱা ল'ৰা ছহিচটো আজি ওলাই গ'ল। তাৰ সলনি আন এটাক ৰাখিলো।

ছেপ্টেম্বৰ ১২

মেছাৰ্ছ তমাছ এন্ড্ কো··-ক ২,০০০্ টকাৰ এখন চেক দিলো। ক্ষীৰোদ-চন্দ্ৰ ৰায়ৰপৰা এখন হেন্ডনোট পালো এই টকাৰ বাবে। তেওঁ জামিন-স্বৰূপে চিঠি এখনো লেখি দিলে তেওঁৰ কৰ্ণওৱালিছ স্ট্ৰীটৰ ঘৰ-বাৰী আৰু ভবানী-পুৰৰ মাটিৰ বাবে।

ছেপ্টেম্বৰ ১৪

ক্ষীৰোদ বাবুৱে মোক চিটি অৱ্ গ্লাছগোৰ প্ৰিমিয়াম ৫৮৷· অনা দিলে।

ছেপ্টেম্বৰ ২০

লগুৱাবিলাকক দৰ্মহা দিলো—আনন্দক আগস্টৰ ১৫ দিনৰ আৰু জুলাইৰ ৬্ দিলো। লাল মহম্মদে বি. বৰুৱাৰপৰা ঝাড়সোগড়ালৈ ২,০০০্ টকাৰ এখন চেক পঠাব লাগে বুলি ১৭ ছেপ্টেম্বৰ তাৰিখৰ এখন চিঠি আনিলে। তেওঁক বেঙ্গল বেঙ্কৰ ২,০০০্ টকাৰ এখন চেক দিলো। টাৰ মহম্মদে বি. বৰুৱাৰপৰা ২০ তাৰিখৰ এল্. এন্. বি.-ৰ এখন ড্ৰাফ্ট আনিলো; তেওঁক বেঙ্গল বেঙ্কৰ ৫,৮০০্ টকাৰ এখন চেক দিলো।